অধ্যায় ১২ ঃ অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অসমীয়া ভাষাৰ বচন
১২.৪ অসমীয়া ভাষাৰ লিঙ্গ
১২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৬ অধিক জানিবলৈ
১২.৭ অগ্রগতিৰ খতিয়ান
১২.৮ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া ভাষাৰ একবচন আৰু বহুবচনৰ গঠন সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া ভাষাৰ লিঙ্গ-পদ্ধতিৰ আটাইবোৰ দিশ বিশ্লেষণ কৰিদেখুৱাবলৈ সমর্থ হ'ব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আমি সামগ্রিকভাৱে ভাষাৰ অসমীয়া ভাষাৰ পদৰ বিষয়ে অধ্যয়ন কৰিলোঁ। এতিয়া এইটো অধ্যায়ত অসমীয়া ভাষাৰ বচন আৰু লিঙ্গ-পদ্ধতিৰ বিশদ আলোচনা দাঙি ধৰিম।

অসমীয়া ভাষাত বচন দুবিধ — একবচন আৰু বহুবচন। বচন নিৰপেক্ষ ৰূপৰ লগত একবচনসূচক ৰূপ সংযোগ কৰি একবচন আৰু বহুবচনসূচক ৰূপ লগ লগাই বহুবচন গঠন কৰা হয়। ইয়াৰ উপৰি কিছুমান বহুত্বাচক গুটীয়া শব্দেৰেও বহুবচন বুজোৱা হয়।

বচনৰ দৰে অসমীয়া ভাষাৰ লিঙ্গও দুই প্রকাৰৰ — পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ। অসমীয়া ভাষাত লিঙ্গ নির্ণয়ৰ কেতবোৰ নির্দিষ্ট নিয়ম আছে। আমাৰ এই অধ্যায়ত অসমীয়া ভাষাৰ বচন আৰু লিঙ্গৰ বিষয়ে বহলভাবে আলোচনা দাঙি ধৰা হৈছে। অধ্যায়টি অধ্যয়নৰ অন্তত আপুনি উল্লিখিত বিষয়সমূহ অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

১২.৩ অসমীয়া ভাষাৰ বচন

ভাষা বিশেষত বিভিন্ন পদে বুজোৱা সংখ্যা বা পৰিমাণক বচন বোলা হয়। অসমীয়া

-হঁক যোগত ক্রিয়াপদৰ বহুবচন হয়। যেনে —

তালিকা ১২.৪ ঃ '-হঁক' যোগত হোৱা ক্রিয়াপদৰ বহুবচনৰ ৰূপ

ক্রিয়াপদ	**বহুবচন**
যাওঁ	যাওঁহঁক
আহা	আহাহঁক
ব'লা	ব'লাহঁক ইত্যাদি।

- **একবচন ঃ** অসমীয়া ভাষাত একবচন বুজাবলৈ বচন নিৰপেক্ষ ৰূপৰ পিছত কেইটামান শ্রেণী নির্দেশক সংযোগ কৰা হয়। এইবোৰক একবচনসূচক উপশব্দ আখ্যা দিব পাৰি। এনে উপশব্দবোৰে একবচনৰ ধাৰণা দিয়াৰ লগে লগে নির্দিষ্টতাও বুজায়। ইয়াৰে কেইটামানে আকৌ লিঙ্গৰ ধাৰণাও দিয়ে। তদুপৰি আকাৰ, ক্ষুদ্রতা, মান্যতা, তুচ্ছতাৰ ধাৰণা দিয়াটোও এই উপশব্দবোৰৰ অন্যতম বৈশিষ্ট্য। তলত তাৰ কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —
  - ➢ *- টো ঃ* ঘৰটো, গাটো, নাকটো, মাতটো, স্বভাৱটো, হাতটো, মাখিটো, ডাঙৰটো, অহাটো, যোৱাটো ইত্যাদি।
  - ➢ *- খন ঃ* মুখখন, হাতখন, হিয়াখন, কাঁহিখন, চকীখন, কাপোৰখন, জিলাখন, চহৰখন, চাইকেলখন, গাড়ীখন, ঘৰখন, আঁচনিখন, ইখন, সিখন, বেয়াখন, নীলাখন, ফটাখন, যোৱাখন ইত্যাদি।
  - ➢ *- ডাল ঃ* বাঁহডাল, পেঞ্চিলডাল, মাৰিডাল ইত্যাদি। তুচ্ছ ভাব বা গালি বুজাবলৈকো - ডাল যোগ দিয়া হয়, যেনে — মানুহডাল।
  - ➢ *-পাট ঃ* দীঘল আৰু চেপেটা বস্তু বুজাবলৈ ব্যৱহাৰ হয়। যেনে— কাঁড়পাট, ব'ঠাপাট। নামবাচক বিশেষ্য আৰু কেইটামান তদর্থক সর্বনামৰ সৈতে যোগ হ'লে তুচ্ছ ভাব বা গালি বুজায়। যেনে — মানুহপাট, ল'ৰাপাট, এইপাট, সেইপাট ইত্যাদি।
  - ➢ *-চটা ঃ* পাট চটা, খৰিচটা, কামিচটা ইত্যাদি।
  - ➢ *-টুকুৰা ঃ* বাঁহটুকুৰা, কাঠটুকুৰা ইত্যাদি।
  - ➢ *-খতুৰা ঃ* মাছখুতুৰা, মাংসখুতুৰা।
  - ➢ *-ডোখৰ ঃ* কাঠডোখৰ, মাছডোখৰ।
  - ➢ *-খিলা ঃ* কাগজখিলা, পানখিলা।

  এইবোৰৰ উপৰি -সাজ (ভাতসাজ), -ধাৰ (মণিধাৰ), -পদ (গহনাপদ), -ষাৰ (মাতষাৰ), -গছ/-গছি (শলিতাগছ, বস্তিগছি, -জন (মানুহজন, শিক্ষকজন, ইজন, সিজন, কোনজন), -জনা (গোসাঁইজনা, ৰজাজনা, ইজনা, সিজনা), -গৰাকী (সম্রাটগৰাকী, মানুহগৰাকী, ইগৰাকী, সিগৰাকী), -জনী (মানুহজনী, ইজনী, কোনজনী) আদি উপশব্দৰ সংযোগৰ সহায়ত একবচনৰ ৰূপ গঠন কৰা হয়।

ইহঁত, সিহঁত, ইত্যাদি। জীৱ জন্তু সূচক শব্দত -হঁত যোগ দিলে গালি বুজায়। যেনে— গৰুহঁত, কুকুৰহঁত, গাধহঁত, শিয়ালহঁত ইত্যাদি।

- -লোক ঃ সাধাৰণতে মান্যার্থক সর্বনামৰ লগত -লোক যোগ হয়। যেনে — তুমি-তোমালোক, আপুনি - আপোনালোক, এওঁ - এওঁলোক, তেওঁ - তেওঁলোক ইত্যাদি। কেতিয়াবা বিশেষ্যৰ পিছত বিশেষকৈ ব্যঙ্গ ভাবত -লোকৰ প্রয়োগ হোৱা দেখা যায়। যেনে — চাহাবলোক
- সকল ঃ বিশেষ্য আৰু সর্বনামৰ পিছত সন্মানার্থত -সকল প্রয়োগ হয়। যেনে — দেউতাসকল, ছাত্রবন্ধুসকল, ডা-ডাঙৰীয়াসকল, আপোনাসকল, এখেতসকল ইত্যাদি।
- মখা ঃ সামূহিকভাৱে হীনার্থত আৰু কেতিয়াবা গালি বুজাবলৈ -মখা প্রত্যয় প্রয়োগ কৰা হয়। যেনে— ল'ৰামখা, গাধমখা ইত্যাদি।
- সোপা ঃসামূহিকভাৱে হীনার্থত আৰু ব্যঙ্গভাবত -সোপা ব্যৱহাৰ হয়। যেনে — মেডেলসোপা, এসোপা বস্তু ইত্যাদি।

এই প্রত্যয়কেইটাৰ উপৰি -সমূহ (ৰাজ্যসমূহ), -বৃন্দ (ছাত্রবৃন্দ,সুধীবৃন্দ), -বর্গ (বন্ধুবর্গ, শ্রোতাবর্গ), -মণ্ডলী (শিক্ষকমণ্ডলী), -গণ (জনগণ), -পুঞ্জ (দ্বীপপুঞ্জ, নিহাৰিকাপুঞ্জ), -ৰাজি (তাৰকাৰাজি, গ্রন্থৰাজি, ৰচনাৰাজি), -ৰাশি (ধনৰাশি), -মালা (পর্বতমালা), -জাক (ল'ৰাজাক, গৰুজাক), -গুচ্ছ (গল্পগুচ্ছ, শব্দগুচ্ছ) আদি প্রত্যয়ৰ সংযোগতো বহুবচনৰ পদ গঠন কৰা হয়। অৱশ্যে এইবোৰৰ প্রয়োগ কিছু সীমিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃবচন নিৰপেক্ষ ৰূপ মানে কি?

.....

প্রশ্ন নং ২ ঃ বিশেষণ পদৰ বহুবচন কৰিব পাৰি নে?

.....

প্রশ্ন নং ৩ ঃ অসমীয়া ভাষাত সাধাৰণতে বচন কেইটা আৰু কি কি?

.....

প্রশ্ন নং ৪ ঃ একবচনসূচক ৫টা প্রত্যয়ৰ ব্যৱহাৰ দেখুৱাওক।

.....

প্রশ্ন নং ৫ ঃ বহুবচনবাচক ৫টা প্রত্যয় সংযোগ কৰি দেখুৱাওক।

.....

১২.৪ অসমীয়া ভাষাৰ লিঙ্গ

ভাষাৰ আলোচনাত পুৰুষ-স্ত্রী নাইবা মতা-মাইকীৰ ধাৰণা দিব পৰা ৰূপক লিঙ্গ বোলা

লিঙ্গ ভেদ কৰা হয়, যেনে —

তালিকা ১২.৬ ঃ লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ বা স্ত্রীসূচক শ্রেণী নির্দেশক লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	লিঙ্গ নিৰপেক্ষ ৰূপ	স্ত্রীলিঙ্গ
গৰুটো	গৰু	গৰুজনী
কুকুৰটো	কুকুৰ	কুকুৰজনী
ম'হটো	ম'হ	ম'হজনী
মানুহটো/ জন	মানুহ	মানুহজনী ইত্যাদি।

- **পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি ঃ** পুৰুষ আৰু স্ত্রীবাচক সুকীয়া সুকীয়া শব্দৰ ব্যৱহাপ্ত দ্বাৰাও অসমীয়াত লিঙ্গভেদ কৰা হয়। তলত তাৰ এখন তালিকা দিয়া হ'ল—

তালিকা ১২.৭ ঃ পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি কৰা লিঙ্গভেদ

পুংলিঙ্গ	স্ত্রীলিঙ্গ
ককা	আইতা
দেউতা	মা, আই
জোঁৱাই	জী
তাৰৈ	আমৈ
ডেকা	গাভৰু
দৰা	কইনা
ভাই	ভনী, ভাইবোৱাৰী
দমৰা	কাঢ়লী, চেঁউৰী
পুৰুষ	স্ত্রী, মহিলা
বলধ	গাই
গোঁহাই, গগৈ	আইচু
পৈ	ঘৈণী
শহুৰ	শাহু
দঁতাল	মাখুন্দী
শৰ	ভেলেঙী

- **স্ত্রীলিঙ্গসূচক প্রত্যয় সংযোগ কৰি ঃ** অসমীয়া ভাষাৰ স্ত্রীলিঙ্গ সূচক প্রত্যয়ৰ সংযোগেৰে লিঙ্গভেদ কৰাৰ নিয়মটোৱেই সর্বাধিক প্রচলিত। এনে স্ত্রী প্রত্যয়ৰ একাধিক উপৰূপৰ ব্যৱহাৰ অসমীয়াত পোৱা যায়, যেনে ঃ -ঈ, -নী, -অনী, -ইনী, -উনী, -ৰী, -অৰী, -উৰী আৰু -এৰী।

ওলাইছে। এইখিনিতে আন এটা কথাও মন কৰিবলগীয়া যে অসমীয়া ভাষাৰ সৰহ সংখ্যক পুংলিঙ্গ বাচক ৰূপ -আ-কাৰান্ত। এনে বৈশিষ্ট্যলৈ লক্ষ্য কৰি ড° গোলোকচন্দ্র গোস্বামীয়ে পুংলিঙ্গবাচক -আ প্রত্যয়ৰ সংযোগ দেখুৱাই অসমীয়া লিঙ্গৰ গঠন-পদ্ধতি বিশ্লেষণ কৰি দেখুৱাইছে, যেনে—

তালিকা ১২.১০ ঃ -আ প্রত্যয়ৰ সংযোগত সৃষ্টি হোৱা লিঙ্গ

পুংলিঙ্গ	মূলৰূপ	স্ত্রীলিঙ্গ
ফাগুনা	ফাগুন	ফাগুনী
আঘোণা	আঘোণ	আঘোণী
শাওণা	শাওণ	শাওণী
কজলা	কাজল	কাজলী

অৱশ্যে এনেদৰে বিশ্লেষণ কৰিলে মূল ৰূপ নির্ণয়ৰ ক্ষেত্রত প্রায়ে নিৰর্থক বদ্ধৰূপৰ কল্পনা কৰি ল'বলগীয়া হয়। উদাহৰণ হিচাপে তলৰ ৰূপবোৰলৈ আঙুলিয়াব পাৰি —

তালিকা ১২.১১ ঃ নিৰর্থক বদ্ধৰূপৰ কল্পনা

পুংলিঙ্গ	মূলৰূপ	স্ত্রীলিঙ্গ
বগা	* বগ্	বগী
ক'লা	* ক'ল্	ক'লী
অজলা	* আজল্	আজলী
মহা	* মাহ্	মাহী
পেহা	* পেহ্	পেহী



জানি থোৱা ভাল

নিৰর্থক বদ্ধৰূপৰ কল্পনা কৰিলে তাৰ আগত * চিহ্ন দিয়াৰ নিয়ম বাবে ওপৰত তেনেদৰে উল্লেখ কৰা হৈছে।

অসমীয়া ভাষাৰ লিঙ্গ পদ্ধতি সামগ্রিক বিচাৰত সংস্কৃত, হিন্দী আদি ভাষাৰ দৰে ব্যাকৰণগত নহয়। প্রাণী, নির্জীৱ পদার্থ, পুৰুষ, স্ত্রী আদি ধাৰণাৰ সৈতে সম্পর্ক নৰখাকৈ কৰা লিঙ্গভেদক ব্যাকৰণগত লিঙ্গ বোলা হয়। সংস্কৃতত 'দাৰ' শব্দই স্ত্রী বুজালেও ই পুংলিঙ্গ বাচক ৰূপ। সেইদৰে 'কলত্র' শব্দৰ অর্থও স্ত্রী। কিন্তু লিঙ্গৰ বিচাৰত ই ক্লীৱলিঙ্গ হে। আকৌ সংস্কৃতত বিশেষ্য পদৰ যি লিঙ্গ তাৰ সৈতে সম্পর্কিত বিশেষণ পদৰো একেই লিঙ্গ হয়, যেনে — সুন্দৰঃ বালিকা, কিন্তু সুন্দৰী বালিকা। অসমীয়া ভাষাতো কেইটামান বিশেষ্য শব্দৰ বিশেষণ পদেও বিশেষ্য পদটোৰ লিঙ্গ

মিতা মিতিনী

- *-উনী ঃ* পুংলিঙ্গসূচক আৰু লিঙ্গ নিৰপেক্ষ ৰূপৰ আদি অক্ষৰত উ বা ও স্বৰ থাকিলে -উনী প্রত্যয় যোগ হয় আৰু ৰূপ-ধ্বন্যাত্মক পৰিৱর্তন যোগে আদিৰ 'ও'-ধ্বানি 'উ'-লৈ পৰিৱর্তিত হয়। যেনে —

তালিকা ১২.১৫ ঃ -উনী প্রত্যয় যোগ হৈ সৃষ্টি হোৱা লিঙ্গভেদ

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**
চোৰ	চুৰুণী
ধোবা	ধুবুনী
ডোম	ডুমুনী
ভূত	ভূতুনী

- *-নী ঃ*পুংলিঙ্গবাচক -অ আৰু -আ কাৰন্ত স্বৰান্ত শব্দৰ পিছত -নী যোগ হয়। নাতি আৰু গৰাকী শব্দ ব্যতিক্রমধর্মী; ইহঁতৰ লগতো -নী যোগ হয়। যেনে —

তালিকা ১২.১৬ ঃ -নী লগ লগাই কৰা লিঙ্গভেদ

পুংলিঙ্গ	**স্ত্রীলিঙ্গ**
বৰুৱা	বৰুৱানী
চলিহা	চলিহানী
শইকীয়া	শইকীয়ানী
গৃহস্থ	গৃহস্থনী
নাতি	নাতিনী
গৰাকী	গৰাকিনী

- *-এৰী,-অৰী,-উৰী,-ৰী ঃ* অসমীয়া ভাষাত -এৰী, -অৰী, - উৰী, -ৰী এই প্রত্যয়কেইটাৰ সংযোগ মাত্র কেইটামান শব্দতহে পোৱা যায়। এনে ক্ষেত্রত মূল ৰূপৰ কিছু ৰূপ ধ্বন্যাত্মক পৰিৱর্তন হয়। তলত সিবোৰৰ উদাহৰণ দাঙি ধৰা হ'ল —

তালিকা ১২.১৭ ঃ এৰী,-অৰী,-আৰী,-উৰী,-ৰী লগ লগাই কৰা লিঙ্গভেদ

	পুংলিঙ্গ	**স্ত্রীলিঙ্গ**
-এৰী ঃ	ডেকা	ডেকেৰী
-অৰী ঃ	কলা	কালৰী
-উৰী ঃ	বেঙা	বেঙুৰী
-ৰী ঃ	ভঙুৱা	ভাঙুৰী

- *সংস্কৃত মূলীয় স্ত্রী প্রত্যয় ঃ* অসমীয়া ভাষা সংস্কৃত মূলীয় হোৱা হেতুকে আৰু সংস্কৃতৰ পৰা পোনে পোনে অহা ভালেমান শব্দ অসমীয়াত ব্যৱহাৰ হৈ থকা হেতুকে সংস্কৃতৰ পৰা অহা স্ত্রীবাচক প্রত্যয় -আ, -ইকা, -ঈ আৰু -আনী-ৰ প্রয়োগৰ বিষয়েও কিছু আলোচনা কৰা আৱশ্যক। তলত সেই বিষয়ে চমু আভাস এটি দাঙি ধৰা হ'ল—

তালিকা ১২.২২ ঃ -অনী প্রত্যয় লগ লগাই কৰা লিঙ্গভেদ

❍ -আনী ঃ	**পুংলিঙ্গ**	**স্ত্রীলিঙ্গ**
	ইন্দ্র	ইন্দ্রানী
	ভৱ	ভৱানী
	মাতুল	মাতুলানী

অসমীয়া ভাষাত কেইটামান পুংলিঙ্গবাচক শব্দ পোৱা যায়, যাৰ স্ত্রীবাচক ৰূপ নাই। যেনে — বৰলা, ডঙুৱা। সেইদৰে পুংলিঙ্গৰ ৰূপ নথকা স্ত্রীবাচক ৰূপ কেইটামানৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। যেনে — লাহৰী, লাহতী, লচপচী, ৰচকী, নামতী, ফুলতী, পোহাৰী, শিপিনী, দাৱনী, ৰাংঢালী, আয়তী, ধাই, বোৱনী ইত্যাদি।

সখী, ৰান্ধনী, শিপিনী আদি শব্দক হ্রস্ব ইকাৰান্ত ৰূপ দি পুংলিঙ্গবাচক ৰূপ গঠন কৰাৰ নিয়মো অসমীয়া পৰম্পৰাগত ব্যাকৰণত সন্নিৱিষ্ট হৈছে। অসমীয়াত হ্রস্ব-দীর্ঘৰ ভেদ নাই কাৰণে সাম্প্রতিক যুগৰ লেখক আৰু বক্তাই এই নিয়ম মানি চলা দেখা নাযায়। আকৌ কবি, সাহিত্যিক, খেলুৱৈ, মন্ত্রী আদি শব্দক স্ত্রীলিঙ্গ কৰিবলৈ সাম্প্রতিক কালত এই শব্দবোৰৰ আগত 'মহিলা' শব্দ ব্যৱহাৰ কৰাৰ নিয়মো প্রচলিত হৈছে। যেনে — মহিলা কবি, মহিলা খেলুৱৈ, মহিলা মন্ত্রী ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ অসমীয়া ভাষাত কেই প্রকাৰৰ আৰু কি কি লিঙ্গ পোৱা যায়?

.....

প্রশ্ন নং ৭ ঃ অসমীয়া ভাষাত লিঙ্গভেদ কৰাৰ উপায় কি কি?

.....

প্রশ্ন নং ৮ ঃ অসমীয়া ভাষাত স্ত্রী প্রত্যয় কেইটা আৰু কি কি?

.....

প্রশ্ন নং ৯ ঃ সংস্কৃতৰ কি কি স্ত্রী প্রত্যয় অসমীয়াত ব্যৱহাৰ হয়।

.....

প্রশ্ন নং ১০ ঃ লিঙ্গ নির্ণয় কৰক — মানুহ, গোহাঁই, পৈ, কমাৰ, বেঙা, গাহৰি, ইন্দ্র, শৰ, বালক, সবল।

.....

.....

.....

.....

৮) বৰা, সত্যনাথ (১৯৯৮); *বহল ব্যাকৰণ;* গুৱাহাটী।

৯) বৰুৱা, ভীমকান্ত (১৯৯৭); *অসমীয়া ভাষা;* ডিব্রুগড় ঃ বনলতা।

১০) বৰুৱা, হেমচন্দ্র (১৯৯৮); *অসমীয়া ব্যাকৰণ;* ডিব্রুগড় ঃ ডিব্রুগড় বিশ্ববিদ্যালয়।

১১) ভৱালী, দেবানন্দ (১৯৯৩); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১২) মেধি, কালিৱাম (১৯৯৯); *অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

১৩) Dutta Baruah, P. N. (1978). *A Comparative Analysis of the Morphological Aspects of Assamese and Oriya (Ph.D. Thesis).* Guwahati: Gauhati University.

১৪) Kakati, B. (2007).*Assamese : Its Formation and Development.* Guwahati: Lawyers Book Stall.

১২.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তি, প্রাণী বা বস্তুৰ সংখ্যা বা পৰিমাণৰ ধাৰণা দিব নোৱাৰা পদবোৰেই বচন নিৰপেক্ষ পদ। যেনে — মানুহ, গৰু, কলম, কিতাপ ইত্যাদি।

২ নং প্রশ্নৰ উত্তৰ ঃ বিশেষণ পদত বহুবচনৰ উপাদান যোগ হোৱা মাত্রে সি বিশেষ্য পদলৈ ৰূপান্তৰিত হয়। যেনে— ভাল, কিন্তু ভালবোৰ।

৩ নং প্রশ্নৰ উত্তৰ ঃ দুটা — একবচন আৰু বহুবচন।

৪ নং প্রশ্নৰ উত্তৰ ঃ -টো - ঘৰটো, -খন - মুখখন, ডাল - বাঁহডাল, -পাট - ব'ঠাপাট, -চটা - কামিচটা।

৫ নং প্রশ্নৰ উত্তৰ ঃ -বোৰ - কিতাপবোৰ, -বিলাক - মানুহবিলাক, -লোক - তেওঁলোক, -হঁত - তহঁত, -সকল - ভকতসকল।

৬ নং প্রশ্নৰ উত্তৰ ঃ দুই প্রকাৰৰ — পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ।

৭ নং প্রশ্নৰ উত্তৰ ঃ (ক) লিঙ্গ নিৰপেক্ষ ৰূপৰ আগত মতা আৰু মাইকী শব্দ বহুৱাই, (খ) লিঙ্গ নিৰপেক্ষ ৰূপৰ পিছত পুৰুষ আৰু স্ত্রীবাচক শ্রেণী নির্দেশক (নির্দিষ্টতাবাচক) প্রত্যয় সংযোগ কৰি, (গ) পুৰুষ আৰু স্ত্রী বুজোৱা ভিন্ ভিন্ শব্দ ব্যৱহাৰ কৰি, আৰু (ঘ) স্ত্রীলিঙ্গ সূচক প্রত্যয় ব্যৱহাৰ কৰি।

৮ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাত স্ত্রী প্রত্যয় মূলতঃ তিনিটা। যথা -ঈ, -নী আৰু -ৰী। অৱশ্যে -নী আৰু -ৰী প্রত্যয়ৰ একাধিক উপৰূপ আছে। যেনে ঃ - নী প্রত্যয় ঃ -নী, -অনী, -

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া ভাষাত বহুবচনৰ অর্থ প্রকাশ কৰিবলৈ কি কি উপায় অৱলম্বন কৰা হয় উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ লিংগভেদ কেনেদৰে কৰা হয় সেই বিষয়ে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৩ ঃ অসমীয়া ভাষাত ব্যৱহৃত সংস্কৃত মূলীয় স্ত্রী প্রত্যয় সম্পর্কে উদাহৰণসহ এটি টোকা প্রস্তুত কৰক।

****